

টোকা

## গোট - 4 ঃ প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়নৰ শৈক্ষিক সুবিধাসমূহ

# গঠন


4.0 পৰিচয়/আৰম্ভণি

4.1 শিকন উদ্দেশ্যসমূহ

4.2 NCF-2005 পৰিৱেশ অধ্যয়নৰ উদ্দেশ্যসমূহ

4.2.1 NCF-2005 উদ্দেশ্যসমূহৰ পৰা পাঠ্যসূচীলৈ

4.2.2 পাঠ্যসূচীত বিষয় প্ৰসংগৰ দিশ

4.3 পাঠ্যসূচীৰ পৰা পাঠ্যপুথিলৈ

4.4 পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথি

4.4.1 শিৰোনামা

4.4.2 বিষয়বস্তুৰ বাছনি আৰু সংগঠিতকৰণ

4.4.3 সংহত পাঠ্যপুথি

4.4.4 পাঠৰ বিভিন্নতা

4.4.5 শিক্ষণ-শিকন কাৰ্যৰ বিভিন্নতা

4.4.6 শিকন প্ৰক্ৰিয়াত সহায়ক হিচাবে কাৰ্যবোৰ

4.4.7 সামাজিক দিশ সম্পৰ্কত

4.5. শ্ৰেণী কোঠা আৰু পাঠ্যপুথিৰ বাহিৰত পাঠদান প্ৰক্ৰিয়া

4.6 পৰিৱেশ অধ্যয়ন পাঠদানৰ সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বান

4.7 অধ্যায়টিৰ পৰা আমি কি শিকিলো/সাৰাংশ

4.8 অগ্ৰগতিৰ খতিয়ান

4.9 উপদেশমূলক আৰু আনুসংগিক পুথি

4.10 গোটৰ অনুশীলন অনুশীলন


## 4.0 পৰিচয়

আপোনালোকে আগৰ গোটত পঢ়ি আহিছে যে পৰিৱেশ শব্দটোৱে আমাৰ চাৰিওফালে থকা সকলো বস্তুক সাঙুৰি লয়। পৰিৱেশৰ বিষয় বস্তুবোৰে সকলো বিষয়কে সাঙুৰি লয়। আপোনালোকে গম পাইছে যে ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰ (গোট) 2005,



টোকা

NCF-2000ৰ পৰামৰ্শ মতে পুনৰ গুৰুত্ব দিছে যে পৰিৱেশ অধ্যয়ন সংহত পাঠ্যক্ৰম হিচাপে প্ৰাথমিক স্তৰত শিকাব লাগে।

পৰিৱেশ অধ্যয়নৰ পাঠ্যসূচী সেয়ে NCF-2005ৰ ওপৰত ভিত্তি কৰি পৰিকল্পনা কৰিছে, য'ত বিজ্ঞান, সমাজ বিজ্ঞান আৰু পৰিৱেশ শিক্ষাৰ অন্তৰ্দৃষ্টি সংহত হৈ আছে। পৰিৱেশ অধ্যয়নৰ পাঠ্যসূচীৰ সংগঠন পৰিচিত হোৱাৰ ওপৰত গুৰুত্ব দিব লাগে যাতে পাঠ্যপুথি ভালদৰে বুজি পায় আৰু পুথিবোৰ ব্যৱহাৰ কৰিব পাৰে। আপোনালোকে সম্ভৱতঃ তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীত পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথিবোৰ শিকাইছে আৰু আপোনালোকৰ পাঠ্যপুথি ব্যৱহাৰ কৰোতে সমস্যাৰ লগতে ইতিবাচক অভিজ্ঞতাও নিশ্চয় হৈছে। এই গোটত আপোনালোকৰ পৰিৱেশ সম্পৰ্কীয় কিছু উদ্বেগ আৰু সন্দেহ দূৰ হ'ব আৰু NCF-2005ৰ পৰামৰ্শৰ লগত সম্পৰ্ক ৰাখি পৰিৱেশ অধ্যয়নৰ উদ্দেশ্যসমূহ অৰ্জন কৰিবলৈ পাঠ্যপুথিবোৰ কাৰ্যকৰী ভাৱে ব্যৱহাৰ কৰিব পাৰিব।

## 4.1 শিকনৰ উদ্দেশ্যসমূহ

এই গোটটো শেষ হোৱাৰ পিছত আপুনি সক্ষম হ'ব পাৰিব যে —

- পৰিৱেশ অধ্যয়নৰ পাঠ্যসূচীত NCF-2005 ৰ উদ্দেশ্যৰ প্ৰতিফলন ঘটোৱা।
- পাঠ্যসূচীৰ বিষয় প্ৰসংগৰ দিশ যুক্তি সহকাৰে বৰ্ণনা কৰা।
- পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথিবোৰত বিষয়বস্তুৰ সংগঠন প্ৰক্ৰিয়া বৰ্ণনা কৰা।
- পাঠ্যপুথিবোৰ বিভিন্ন বৈশিষ্ট্যবোৰ আলোচনা কৰা।
- পাঠ্যপুথিবোৰ ফলপ্ৰসূ শিক্ষণ শিকন সঁজুলি হিচাবে ব্যৱহাৰ কৰা।
- পাঠ্যক্ৰমৰ শৈক্ষিক সুবিধাবোৰৰ প্ৰত্যাহ্বান গ্ৰহণৰ বাবে পাঠ্যপুথি আৰু শ্ৰেণীকোঠা অতিক্ৰম কৰি পাঠ প্ৰদান প্ৰক্ৰিয়াৰ ওপৰত আলোচনা কৰা।

## 4.2 NCF-2005 ঃ পৰিৱেশ অধ্যয়নৰ উদ্দেশ্যসমূহ-

আপোনালোকে আগৰ গোটত পঢ়ি আহিছে, বৰ্তমান পৰিৱেশ অধ্যয়নৰ পাঠসূচী বিজ্ঞান, সমাজ বিজ্ঞান আৰু পৰিৱেশ শিক্ষাৰ অন্তৰ্দৃষ্টিৰ পৰা লৈ প্ৰাথমিক স্তৰৰ কাৰণে সংহত দৃষ্টিভংগীৰে পৰিকল্পনা কৰা হৈছে। ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰ, 2005 এ প্ৰাথমিক স্তৰত বিজ্ঞান আৰু সমাজ বিজ্ঞান শিক্ষাৰ উদ্দেশ্যসমূহক নিৰ্দিষ্ট কৰিছে। এই বিলাক ইতিমধ্যে অধ্যায়-2 ত আলোচনা কৰা হৈছে। যেতিয়া আপুনি পঢ়া-শুনা কৰিব, তেতিয়া আপুনি উপলব্ধি কৰিব পাৰিব যে পৰিৱেশ অধ্যয়নত কেৱল বিদ্যায়তনিক দিশেই নহয়। অন্য ধৰণৰ আচৰণ আৰু দক্ষতাবোৰ বিকাশ হোৱাৰ সুবিধা থাকে। আপোনালোকে লক্ষ্য কৰিব যে পৰিৱেশ অধ্যয়নৰ জৰিয়তে যোগ্যতা, মনোভাব আৰু মূল্যবোধৰ উপৰিও



টোকা

অন্য সহঃ বিদ্যায়তনিক দিশসমূহৰ বিকাশ হয়। পৰিৱেশ অধ্যয়নৰ এই উদ্দেশ্যবোৰ NCERTৰ পাঠ্যক্ৰমত প্ৰতিফলিত হৈছে।

## 4.2.1 NCF-05 উদ্দেশ্যসমূহৰ পৰা পাঠ্যসূচী লৈ

প্ৰাথমিক পৰ্যায়ত পৰিৱেশ অধ্যয়ন ছাত্ৰ-ছাত্ৰীৰ কোনো বোজা নোহোৱাকৈ পৰিৱেশৰ সম্পূৰ্ণ জ্ঞান অৰ্জনৰ এটা প্ৰক্ৰিয়া হিচাবে বিবেচনা কৰিব পাৰি। NCERTৰ পাঠ্যসূচীয়ে তলত দিয়া ধৰণে উক্ত উপলব্ধিৰ প্ৰতিফলন ঘটোৱাৰ চেষ্টা কৰিছে।

- পাঠ্যসূচী 'বিষয়'ৰ এখন তালিকা হিচাবে নহয়, বৰঞ্চ 'থিম' হিচাবে সংগঠিত হয় আৰু প্ৰতিটো 'থিম'ত কেইবাটাও উপ-থিম থাকে।
- উপ থিমবোৰ সংহতভাৱে চক্ৰাকাৰে আৰু একাদিক্ৰমে সংগঠিত কৰা হয়।
- উপ থিম এটাই সংযুক্ত আৰু আন্তঃসম্বন্ধীয় বোধৰ বিকাশৰ অনুমতি দিয়ে।
- পাঠ্যসূচীৰ থিমবোৰ প্ৰাথমিক ধাৰণাবোৰ তালিকাভুক্ত কৰাৰ জৰিয়তে আৰম্ভ নহয়, বৰঞ্চ মূল প্ৰশ্নবোৰে যাতে প্ৰতিটো শিশুক চিন্তা, প্ৰয়োগ আৰু তাৰ নিজস্ব বিকাশৰ সুযোগ কৰি দিয়ে আৰু নিজস্বভাৱে ধাৰণাবোৰ বিকাশ হয় তাৰ ওপৰত গুৰুত্ব দিয়া হয়।
- বিষয় প্ৰসংগত বিভিন্ন বিষয় আৰু শৃংখলাৰ অৱলোকন ঘটোৱাত সহায় কৰে।
- ক্ৰিয়াকলাপবোৰ মাথোন পৰামৰ্শমূলক আৰু সহজেই স্থানীয় পৰিৱেশৰ লগত জড়িত ক্ৰিয়াকলাপ সংযোজন কৰিব পাৰে।

## 4.2.2 পাঠ্যসূচীত বিষয় প্ৰসংগৰ/দিশ

গোট 1 পৰা জানিব পাৰি যে শিশুৰ পৰিৱেশৰ ধাৰণা আমাৰ লগত আৰম্ভ হয়। আৰু পৰিয়াল, ওচৰ-চুবুৰীয়া, স্কুল, সম্প্ৰদায়ৰ জৰিয়তে এই ধাৰণাৰ বিকাশ শিশুৱে যাতে নিজকে সমাজৰ বা দেশৰ অংশ বুলি ভাবে তাৰ বাবে পৰিৱেশ অধ্যয়নৰ বিষয় প্ৰসংগ সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ উপৰি বিষয় প্ৰসংগসমূহে নিজৰ আৰু আনৰ পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু প্ৰাকৃতিক পৰিৱেশৰ ধাৰণা স্পষ্ট কৰে যিয়ে শিশুক পৰিৱেশ আৰু পৃথিৱীৰ সৰ্বাংগীন অৱলোকন কৰাত সহায় কৰাৰ লগতে সকলো জীৱ আৰু অণুজীৱৰ আন্তঃ নিৰ্ভৰশীলতা তথা জীৱন প্ৰক্ৰিয়া সম্পৰ্কেও ধাৰণা স্পষ্ট হয়। পাঠ্যসূচীৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল যে পাঠ্যপুথি 'সমন্বিত' প্ৰকৃতিৰ। এই প্ৰস্তাৱিত বিষয় প্ৰসংগই বিভিন্ন পৰিৱেশ যেনে - প্ৰাকৃতিক আৰু সামাজিক-সাংস্কৃতিক আদিৰ আন্তঃ সম্পৰ্ক বুজাত সহায় কৰে। তৃতীয়, চতুৰ্থ, পঞ্চম শ্ৰেণীৰ বাবে পাঠ্যসূচী ছটা সাধাৰণ বিষয়ৰ দ্বাৰা সজোৱা হৈছে।



টোকা

1. পৰিয়াল আৰু বন্ধু

    11. সম্বন্ধ

    1.2. কাম আৰু পৰিকল্পনা

    1.3 প্ৰাণী

    1.4 উদ্ভিদ

2. খাদ্য

3. আশ্ৰয়/বাসস্থান

4. প্ৰাণী

5. ভ্ৰমণ

6. আমি যি বস্তু তৈয়াৰ কৰো আৰু যি কৰো

(গোট- 3 NCF 2005 পৰিৱেশ অধ্যয়নৰ পাঠ্যসূচী চাব)

থিমবোৰ বিষয় জ্ঞানৰ বা বিষয়গত শব্দৰ পৰিবৰ্তে শিশুৰ নিজৰ অভিজ্ঞতাৰ পৰা লোৱা হৈছে। শিশুৱে দৈনন্দিন জীৱনত ঘটা অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি থিমৰ উপস্থাপন কৰা হয়। এই ব্যক্তিগত অভিজ্ঞতাই শিশুটিক সহজেই তাত্ত্বিক জ্ঞানৰ লগত সংযোগ কৰে।

এইদৰে 'পৰিৱেশ' সম্পৰ্কে শিশুৰ ধাৰণা বৃদ্ধি পায়। একেই থিমটো তিনি বছৰ ধৰি চলি থাকে, য'ত শিশুৱে তৎক্ষণাত নিজেৰ পৰা বাহিৰ ওলাই পৰিয়াল, ওচৰ চুবুৰীয়া আৰু সম্প্ৰদায় সম্পৰ্কে জানিব পাৰে। এইদৰে শিশুটিয়ে পৰিচিত অৱস্থাত উদঘাটন কৰা আৰম্ভ কৰাৰ লগতে সি/তাইৰ কৰ্ম প্ৰসাৰিত কৰে। একে সময়তে শিশুটিয়ে বিভিন্ন প্ৰেক্ষাপটত নিজকে চিনাক্ত কৰিবলৈ সক্ষম হয়- যেনে- পৰিয়ালৰ সদস্য হিচাবে, স্কুল/সম্প্ৰদায়ৰ এজন সদস্য হিচাবে আৰু চহৰ আৰু দেশৰ ভৱিষ্যৎ নাগৰিক হিচাবে তলত থিম আৰু উপ থিমবোৰ সৰ্পিল আকাৰে তিনি বছৰ ধৰি কিভাৱে প্ৰস্তুত কৰা হৈছে তাৰ এটা নমুনা দিয়া হ'ল—

**বিষয় প্ৰসংগ (থিম) পৰিয়াল আৰু বন্ধুবোৰ**



টোকা

**উপ বিষয় প্ৰসংগ (উপ থিম) - কাৰ্য আৰু খেলা**

| তৃতীয় শ্ৰেণী | চতুৰ্থ শ্ৰেণী | পঞ্চম শ্ৰেণী |
|---|---|---|
| **মোৰ চাৰিওফালৰ কাম।**<br>• বিভিন্ন বৃত্তি, কামৰ সময় আৰু অৱসৰ সময়ৰ ধাৰণা, ঘৰৰ ভিতৰে আৰু বাহিৰৰ কাম, লিংগ, বয়স, জাতি, অৰ্থনৈতিক অৱস্থা ইত্যাদি।<br>**শিশু শ্ৰমিক**<br>• সেইসকল শিশু শ্ৰমিকক সচেতন কৰা যিসকল পৰিয়ালৰ অৱহেলাতেই শিশু শ্ৰমিক নহয় কিন্তু এটা পদ্ধতিগত কাৰণৰ হে শিশু শ্ৰমিক হয়।<br>• চাবলগীয়া যাতে সকলো শিশুৱে স্কুললৈ যায়<br>• বিদ্যালয়ত নোযোৱাকৈ কিদৰে শিশু শ্ৰমিক হিচাবে অন্যান্য দেশত শিশুৱে কৰ্মৰত হৈ আছে তাৰ প্ৰতি সচেতন হোৱা। | **খেলত স্ফুৰ্তি আৰু যুদ্ধ**<br>• ঘৰত আৰু স্কুলত বিভিন্ন খেলা<br>• সামাজিক বুজাবুজি হিচাবে খেল, প্ৰতিটো খেলৰ নিয়মসমূহ ভাল খেলৰ বাবে যুদ্ধ আৰু আলোচনা কৰাৰ প্ৰয়োজনীয়তা।<br>• বিভিন্ন লিংগ বা বৰ্গ শিশুসকলক খেলৰ পৰা দূৰ কৰা।<br>**সিহঁতে কিভাৱে সিহঁতৰ দক্ষতা/কৌশল শিকিছে।**<br>• স্থানীয় অঞ্চল/দেশত বিভিন্ন বৃত্তি<br>• কোনে কি কাম কৰে?<br>• লিংগ আৰু কাম<br>**মেলা আৰু চাৰ্কাচত**<br>• বিনোদনৰ উপায় | • দলগত খেল -তোমাৰ নায়ক<br>• খেলা/ক্ৰীড়াৰ প্ৰকাৰ, দলীয় একতাৰ গুৰুত্ব, লিংগ ধূৰ্ততা।<br>• অন্যান্য দেশবোৰৰ কিছু ধাৰণা আৰু ৰাষ্ট্ৰীয় দল।<br>• লিংগ খেলৰ মাজত লিংগ বৈষম্য। স্থানীয় খেলৰ, যোদ্ধা কলা<br>• স্থানীয় আৰু ঐতিহ্যবাহী যোদ্ধা কলাৰ আৰ্হি/খেল, সাধাৰণ অনুশীলন ৰুটিন, শিক্ষক, স্থানীয় খেলৰ পৰিবৰ্তনৰ নমুনা<br>• অৱসৰ সময়ৰ প্ৰকৃতিৰ পৰিবৰ্তন<br>• গৰম আৰু ঠাণ্ডা বতাহ বোৱা<br>• আমাৰ শ্বাসঃ বিভিন্ন হাৰ অনুমান, শিশুৰ উশাহ-নিশাহত বুকুৰ প্ৰসাৰণ আৰু সংকোচন, মোৰ শ্বাস-গৰম আৰু আৰ্দ্ৰ।<br>• পৰিষ্কাৰ কাম আৰু লেতেৰা কাম।<br>• শ্ৰমৰ মৰ্যাদা<br>• এনে অপৰিহাৰ্য সেৱাৰ ওপৰত সমাজৰ নিৰ্ভৰশীলতা।<br>• সমাজৰ মান হিচাবে কামৰ পছন্দ। |



টোকা

তলত দিয়া তালিকাখনে পৰিৱেশ অধ্যয়নৰ উদ্দেশ্যসমূহ, বিষয়বস্তু আৰু উপস্থাপনৰ মাজত সম্বন্ধ স্থাপন কৰে।

থিম ঃ বাসস্থান - পৰিৱেশ অধ্যয়ন III

প্ৰসংগ ঃ পৰিৱেশ অধ্যয়ন *NCERT, www.ncert.nic.in, pdf*))

| **বহল উদ্দেশ্য** | **থিম** | **যথাযথ প্ৰশ্ন** | **মূল ধাৰণা** | **প্ৰস্তাৱিত সম্পদ/সমল** | **প্ৰস্তাৱিত ক্ৰিয়াকলাপ** |
|---|---|---|---|---|---|
| ছাত্ৰ-ছাত্ৰীক প্ৰাকৃতিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ মাজত সম্পৰ্ক নিৰ্ণয় কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দিয়া। | বাসস্থান | আপোনাৰ ওচৰ চুবুৰীয়াৰ মানচিত্ৰ প্ৰস্তুত কৰক। আপোনাৰ স্কুলখন ইমান ডাঙৰ? অনুগ্ৰহ কৰি আপোনাৰ স্কুল আৰু শ্ৰেণী কোঠাৰ ছবি এখন অংকন কৰক। ওচৰ-চুবুৰীয়াৰ চাৰিওফালে থকা পথ সম্পৰ্কে জানানে? অনুগ্ৰহ কৰি আপোনাৰ ঘৰৰ পৰা থকা ডাকঘৰ বা বাছ আস্থানৰ কিমান দূৰ ব্যাখ্যা কৰক। | ওচৰ চুবুৰীয়াৰ মানচিত্ৰ আৰু দুটি মাত্ৰ আৰু নিৰ্দেশাৱলী প্ৰতিনিধিত্ব | স্কুলৰ বিভিন্ন অঞ্চলৰ জৰীপ, ওচৰ-চুবুৰীয়া জৰীপ | আনুমানিক দূৰত্ব নিৰ্ণয়, বিভিন্ন স্থানৰ অৱস্থান আৰু মানচিত্ৰ অংকন, বিভিন্ন দৃষ্টিকোণৰ পৰা আপোনাৰ ঘৰৰ পৰা ওচৰৰ দোকানলৈ ৰাস্তাৰ মানচিত্ৰ অংকন। |

**আপোনাৰ অগ্ৰগতি নিৰ্ধাৰণ কৰক- ১**

a. NCF 2005ত উল্লেখ কৰা ধৰণে পৰিৱেশ অধ্যয়নৰ নিম্নোক্ত উদ্দেশ্য সম্পূৰ্ণ কৰাৰ বাবে তলত দিয়া খালী ঠাইবোৰ পূৰ কৰক।

1. শিশুসকলৰ প্ৰাকৃতিক আৰু সামাজিক-সাংস্কৃতিক পৰিৱেশৰ মাজৰ চিনাক্ত আৰু বোধৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা।(সম্পৰ্ক, আন্তঃ সংযোগ)
2. প্ৰাকৃতিক পৰিবেশৰ লগত সংগতি ৰাখি শিশুৰ --------- আৰু ----------- বিকাশ হোৱা (কৌতুহল, ৰুচি, আগ্ৰহ) (সৃজনশীলতা, বুদ্ধিমত্তা, যোগ্যতা)
3. পৰিৱেশৰ বিভিন্ন দিশ সম্পৰ্কে........... বিকাশ কৰা। (সজাগতা, সতৰ্কতা, মনোযোগ)



টোকা

4. পৰ্যবেক্ষণ, শ্ৰেণী বিভাজন, সিদ্ধান্ত আদিৰ যোগেদি শিশুৰ প্ৰাথমিক সংজ্ঞাত্মক আৰু মনোযোগীয় কৌশল আহৰণ কৰিবলৈ হ'লে শিশুক উদ্‌ঘাটনমূলক আৰু ----------- কাৰ্যত জড়িত কৰা (হাতে-কামে, দৈনন্দিন, সংশ্লিষ্ট)

**পঢ়ক আৰু প্ৰয়োগ কৰক ঃ-**

- বিষয় প্ৰসংগৰ অৰ্থ কি? ইয়াক বিষয়বস্তুৰ পৰা কি দৰে পৃথক কৰা হয়?
- পৰিয়াল আৰু বন্ধুৰ বিষয় প্ৰসংগই কাৰ্য আৰু খেলাৰ উপ বিষয় প্ৰসংগক কিয় অন্তৰ্ভুক্ত কৰে বুলি ভাবে?
- কাৰ্য আৰু খেলৰ উপ বিষয় প্ৰসংগই শিশু শ্ৰমিক আৰু শ্ৰমৰ মৰ্যাদাক কিয় অন্তৰ্ভুক্ত কৰে বুলি ভাবে?

## 4.3 পাঠ্যসূচীৰ পৰা পাঠ্যপুথি লৈ

NCERTৰ পাঠ্যসূচী 2005 আৰু NCF 2005ৰ দৃষ্টিভংগীৰ ভিত্তিত তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ কাৰণে পৰিৱেশ অধ্যয়ন পাঠ্যপুথিবোৰ প্ৰস্তুত কৰা হৈছে। স্বাভাৱিকতে পাঠ্যপুথিবোৰে এটা সংগঠিত পদ্ধতিত ছাত্ৰসকলক এটি নিৰ্দিষ্ট বিষয়ৰ তথ্য সৰবৰাহত গুৰুত্ব দিয়ে। শিক্ষকসকলৰ বাবে পাঠ্যপুথিবোৰ বিষয়বস্তুৰ পৰিকল্পনা, প্ৰদান আৰু নিৰ্দেশনা দিয়াৰ বাবে এটা প্ৰয়োজনীয় সঁজুলি। শিক্ষকে পাঠ পৰিকল্পনা প্ৰস্তুত কৰে আৰু পাঠ প্ৰদান কৰে।

- আপুনি ইয়াৰ লগত একমত হয়নে?
- এই প্ৰক্ৰিয়াটো আপুনি বিভিন্ন বিষয় শিকাওঁতে অনুসৰণ কৰেনে?

  যদিও পৰম্পৰাগতভাৱে পাঠ্যপুথি আৰু শিক্ষকে জ্ঞান দিয়াত মুখ্য ভূমিকা লয়, NCF 2005 ওপৰৰ ভিত্তি কৰি বুজা যায় যে শিক্ষাৰ্থীসকলে বস্তুগত ক্ৰিয়াকলাপৰ (অভিজ্ঞতাৰ ভিত্তিত) ভিত্তিত নতুন ধাৰণাবোৰ পূৰ্ব অভিজ্ঞতাৰ লগত সংযুক্ত কৰি নিজৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰে। এই প্ৰসংগত পাঠ্যপুথিখন শিক্ষকৰ বাবে সৰ্বস্ব নহয়, জ্ঞান আৰু শিক্ষাৰ প্ৰসাৰৰ বাবে ই এক ধৰণৰ প্ৰাৰম্ভিক উৎস। যাৰ সহায়ত শিক্ষণ শিকন প্ৰক্ৰিয়া আৰম্ভ কৰিব পাৰি।

বিজ্ঞান আৰু সমাজ বিজ্ঞান বিষয় পৃথকভাৱে নলৈ পৰিৱেশক সামগ্ৰিকভাৱে উপস্থাপন কৰাকৈ পাঠ্যপুথি প্ৰস্তুত কৰাটো এক প্ৰত্যাহ্বান। এই প্ৰক্ৰিয়াত বিভিন্ন বিষয় প্ৰসংগ একত্ৰিত কৰাৰ প্ৰয়াস কৰা হৈছে আৰু প্ৰতিজন শিশুৱে যাতে বিশ্ব পৰিৱেশৰ সম্যক ধাৰণা ল'ব পাৰে।

- NCF 2005.ৰ আধাৰত প্ৰস্তুত কৰা পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথি ব্যৱহাৰ



টোকা



কৰিছেনে? এই পাঠ্যপুথি বিষয়বস্তুসমূহ কি ধৰণে সংগঠিত কৰা হৈছে?

- এই পাঠ্যপুথিবোৰ অন্যতকৈ কি ধৰণে অমিল?

তলত পৰিৱেশ অধ্যয়ন পাঠ্যপুথিৰ বিভিন্নতা বুজি কিদৰে পাঠ্যপুথি শ্ৰেণীকোঠাত সহায়কৰ ভূমিকা পালন কৰিব আৰু আহিলা হিচাপে পাঠ্যপুথিৰ উত্তম ব্যৱহাৰ কৰিব তাক বৰ্ণনা কৰা হৈছে।

## 4.4 পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথি ঃ

ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণেৰে আমাৰ চাৰিওফালৰ পৰিৱেশক জনা, বুজা আৰু পৰিৱেশক ভালকৈ ব্যৱহাৰ কৰিবলৈ পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথিৰ বিষয়বস্তু, পাঠদান পদ্ধতি আদি ছাত্ৰ-ছাত্ৰীৰ বোধগম্য হোৱাকৈ সজোৱা হয়।

এই শাখাটোত পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথিৰ আৰ্হি আৰু গঠন সম্পৰ্কে আলোচনা কৰা হ'ব।

### 4.4.1 নামাকৰণ/শিৰোনামা

তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ বাবে 'লুকিং এৰাউণ্ড' (Looking Around) নামেৰে পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথিৰ নামাকৰণ কৰা হৈছে। এতিয়া —

- এই নামাকৰণে কি সূচায়?
- পৰিৱেশ শিক্ষা আৰু ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ, 2005 উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰখাকৈ এই নামাকৰণ কৰা হৈছেনে?

'লুকিং এৰাউণ্ড' নামটোৱে পৰিৱেশৰ বিষয়ে কিদৰে শিকাব আৰু শিকিব পাৰি তাৰ এটা অৱধাৰণা চিনাক্ত কৰাৰ প্ৰয়াস কৰিছে। ছাত্ৰ-ছাত্ৰীয়ে নিজৰ চাৰিওফালৰ পৰিৱেশ নিজেই পৰ্যবেক্ষণ কৰি, পৰিৱেশক ব্যৱহাৰ কৰি আৰু ইয়াৰ লগত সম্পৰ্ক স্থাপন কৰি, নিজস্ব অভিজ্ঞতাৰ জৰিয়তে নিজৰ চাৰিওফালৰ পৰিৱেশৰ সম্পৰ্কে ধাৰণা গঠন কৰিব পাৰে। এই প্ৰক্ৰিয়াত শিশুৱে শিক্ষণ-শিকনৰ সময়ছোৱাত সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ সুবিধা পায়।

**শ্ৰেণীকোঠাত ঃ**

বছৰৰ আৰম্ভণিতে শ্ৰেণীকোঠাত আপুনি পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথিৰ নামটোৰ ওপৰত বিতং ব্যাখ্যা আগবঢ়াব পাৰে যাতে ছাত্ৰ-ছাত্ৰীয়ে আপুনি কোৱা কথাবোৰ নিজৰ চাৰিওফালৰ পৰিৱেশৰ লগত তুলনা কৰি পৰিৱেশ সম্পৰ্কে এটা সম্যক ধাৰণা জন্মাব পাৰে।



টোকা

## 4.4.2 বিষয়বস্তুৰ বাছনি আৰু সংগঠিতকৰণ

যিহেতু পৰিৱেশ অধ্যয়ন পাঠ্যপুথিৰ নামকৰণ কিছু আচহুৱা, সেয়ে ইয়াৰ বিষয়বস্তুসমূহৰ সজ্জিত কৰণো পৰম্পৰাগতভাৱে থকা বিষয়বস্তুসমূহতকৈ ভিন্ন।

তৃতীয় শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ পাঠ্যসূচী মূলতঃ ছটা আন্তঃসম্পৰ্ক থকা বিষয় প্ৰসংগ ভাগ কৰা হৈছে আৰু এই বিষয় প্ৰসংগসমূহে বিজ্ঞান, সমাজ বিজ্ঞান আৰু পৰিৱেশ শিক্ষা সম্পৰ্কীয় কথাবোৰ সামৰি লৈছে। বিষয় প্ৰসংগ ছটা হ'ল—

1. পৰিয়াল, বন্ধুত্ব আৰু সম্পৰ্ক, কৰ্ম আৰু খেল-ধেমালি, প্ৰাণী আৰু উদ্ভিদ।
2. খাদ্য
3. বাসস্থান
4. পানী
5. যাতায়াত
6. আমি কি প্ৰস্তুত কৰো আৰু কি কৰো।

প্ৰতিটো বিষয় প্ৰসংগতে কিছুমান উপ-বিষয় প্ৰসংগ আছে যিয়ে পাঠ্যসূচীৰ বিভিন্ন বিষয়বস্তুক সাঙুৰি লয়। এই উপ বিষয় প্ৰসংগবোৰ চক্ৰাকাৰে আৰু সুষমভাৱে পাঠ্যপুথিত সজ্জিতকৰণ কৰা হৈছে। পাঠ্যপুথিত থকা পাঠবোৰ এটাৰ পিচত এটাৰ সম্পৰ্ক থকাকৈ সজোৱা হয়। প্ৰতিটো ইউনিটৰ অভ্যাসবোৰ বা পাঠবোৰ এইদৰে সজোৱা হয়।

### শিক্ষক হিচাবে ঃ

আপুনি শিক্ষক হিচাবে পৰিৱেশ অধ্যয়নৰ পাঠদান কৰোতে পাঠৰ বা বিষয়বস্তুৰ সম্পৰ্ক ৰক্ষা কৰি পাঠদান কৰিলে ভাল। এটা ইউনিটৰ পাঠৰ সম্পৰ্ক ৰক্ষা নকৰাকৈ আনটো ইউনিটলৈ যাব নালাগে। এই কাৰ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক আপুনি পাঠসমূহৰ মাজৰ সম্পৰ্ক উলিয়াব দিব পাৰে বা আগৰ শ্ৰেণীৰ পাঠ্যপুথিৰ লগত বৰ্তমানৰ পাঠ্যপুথিৰ সম্পৰ্ক উলিয়াব দিব পাৰে। বিভিন্ন কাৰ্যৰ সম্পৰ্ক ৰক্ষা কৰি শিকাব পাৰিলে শিকনৰ সাৰাংশ দিয়াত সহজ হয়।

## 4.4.3 সংহত পাঠ্যপুথি ঃ

পৰিৱেশ অধ্যয়ন বিষয়টো সংহত আৰু ইয়াত বিভিন্ন বিষয়ৰ সমাহাৰ হয়। বিষয়, বিষয় প্ৰসংগ, বিদ্যালয়, সমাজ তথা দৈনন্দিন ঘটনাৰ প্ৰতিফলন ঘটোৱাকৈ পৰিৱেশ অধ্যয়ন পাঠ্যপুথি সজোৱা হয় বাবে ইয়াক সংহত পাঠ্যপুথি বোলা হয় আৰু ইয়াৰ জৰিয়তে শিক্ষকে সংহত শিক্ষা দিব পাৰে।



টোকা

পৰিৱেশ অধ্যয়নৰ বিভিন্ন বিষয়সমূহ বিভিন্ন পদ্ধতিৰ জৰিয়তে শিক্ষাদান কৰোঁতে আৰু ছাত্ৰ-ছাত্ৰীৰ মূল্যাংকন কৰোতে ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন গুণ আহৰণ হোৱাৰ লগতে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ গুণগত দিশটোও উন্নত হয়।

এটা শিশুৰ পৃথিৱীখন অকল জ্ঞানেৰে পৰিপূৰ্ণ নহয়, ইয়াত শিশুৰ পৰিৱেশৰ লগত হোৱা সংহত অভিজ্ঞতা আৰু পৃথিৱীখনক জনা কথাটোও সন্নিবিষ্ট হৈ আছে। সেইবাবে পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথি প্ৰস্তুত কৰোতে শিশুক নিজৰ অভিজ্ঞতাৰ জৰিয়তে পুষ্ট সম্পূৰ্ণ আৰু সংহত জ্ঞান দিবলৈ চেষ্টা কৰা হৈছে। সেয়ে নতুন পাঠ্যক্ৰমত পৰিৱেশ অধ্যয়নত বিজ্ঞান, সমাজ বিজ্ঞান আৰু পৰিৱেশ শিক্ষা সংহতভাৱে সজ্জিতকৰণ কৰা হৈছে। জীৱ বিজ্ঞানত থকা জীৱ আৰু জড় পদাৰ্থ সম্পৰ্কে পৰিৱেশ অধ্যয়নত ছাত্ৰ-ছাত্ৰীয়ে নিজৰ অভিজ্ঞতাৰ জৰিয়তে ইয়াক আয়ত্ত কৰিব পাৰে। অন্য এক উদাহৰণ হ'ল ছাত্ৰ-ছাত্ৰীক প্ৰাণী, চৰাই, উদ্ভিদ আদিৰ নাম পাঠ্যপুথিৰ পৰা চাই নিলিখি নিজৰ চাৰিওফালৰ পৰিৱেশ পৰ্যবেক্ষণ কৰি লিখিব দিলে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান সম্পূৰ্ণ হ'ব।

পৰিৱেশ অধ্যয়ন পাঠ্যপুথিৰ আন এটা বৈশিষ্ট্য হ'ল যে ইয়াত সামাজিক দিশৰ লগত বিজ্ঞান আৰু অন্য শাখাৰ সমন্বয়। ভাৰতবৰ্ষখন যিহেতু ভৌগোলিক আৰু সাংস্কৃতিকভাৱে ভিন্ন সেয়ে ছাত্ৰ-ছাত্ৰীয়ে ভাৰতৰ বিভিন্ন ঠাইৰ মানুহে কেনেকৈ বসবাস কৰে, মানুহৰ সংস্কৃতি কেনেকুৱা, খাদ্য, যাতায়াত ব্যৱস্থা, জলবায়ু, কাম কৰাৰ ধৰণ আদি দিশ আমি পৰিৱেশ অধ্যয়নৰ জৰিয়তে জানিব পাৰো। সেয়ে পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথিয়ে সংহতি, অনৈক্যৰ মাজত ঐক্য আৰু বিশ্ব-ভাতৃত্বৰ বাৰ্তা কঢ়িয়াই আনে বুলি ক'ব পাৰি।

## 4.4.4 পাঠৰ বিভিন্নতা ঃ

পাঠ্যসূচীৰ বিভিন্ন বিষয়ৰ প্ৰতিফলন ঘটাব লাগে বাবে পাঠ্যপুথিত পাঠৰ বিভিন্নতা থাকে। গল্প, বাতৰি পৰিৱেশন, কবিতা, দিনলিপি, সাক্ষাৎকাৰ, বৰ্ণনা আদিৰ উপস্থাপনৰ জৰিয়তে পাঠৰ বিভিন্নতা প্ৰকাশ পায়। পাঠৰ এই বিভিন্নতাই শিশুক অভিজ্ঞতা আৰু অৱধাৰণাৰ মুখামুখি হোৱাৰ সুযোগ দিয়ে।

এনে কিছুমান শিশু আছে যিসকলে দৃশ্যমান সঁজুলিৰ জৰিয়তেহে শিকি ভাল পায়। কিছুমানে বৰ্ণনামূলক কথা আৰু কিছুমানে পাঠৰ অনুশীলনত থকা প্ৰশ্নোত্তৰ কৰিও ভাল পায়। আনহাতে কিছুমান শিশুৱে বিজ্ঞান, বুৰঞ্জী, ভূগোল আৰু ভাষাৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হোৱাও দেখা যায়।

পাঠৰ আৰু বিষয়বস্তুৰ বিভিন্নতা সহিতে যেতিয়া শিক্ষকে পাঠদান কৰে তেতিয়া শিশুৰ কৌতূহল, সহমৰ্মিতা, পৰীক্ষা-নিৰীক্ষা, অনুসন্ধিৎসু মন আৰু প্ৰকাশ ভংগীৰ


টোকা

বিকাশ হয়। পাঠদানৰ সময়ত ছাত্ৰ-ছাত্ৰীক বিভিন্ন প্ৰকাৰৰ লিখনি কাৰ্য দিয়া হয় যাৰ জৰিয়তে শিশুৰ ভাষা শিকন কাৰ্যও সহজ হয়। শিক্ষকে বিভিন্ন বিষয়ৰ বিষয়বস্তুসমূহৰ ওপৰত গুৰুত্ব দিয়াতকৈ বিষয়বস্তুসমূহ যোগাযোগ আৰু সহযোগিতাৰ জৰিয়তে কিদৰে ছাত্ৰ-ছাত্ৰীয়ে সহজে আয়ত্ব কৰিব পাৰে তাৰ ওপৰতহে অধিক গুৰুত্ব দিব লাগে।

## শিক্ষক হিচাবে ঃ

শিক্ষকে পোনপটীয়াকৈ পাঠৰ বিষয়বস্তু উপস্থাপন নকৰি বিষয়বস্তু ক'ৰ পৰা কেনেকৈ আহিল তাৰ ওপৰত গুৰুত্ব দিব লাগে। এই প্ৰক্ৰিয়াই ছাত্ৰ-ছাত্ৰীক যিকোনো ঠাইত যিকোনো সময়ত যিকোনো এজনৰ পৰা শিকিবলৈ সুযোগ দিব।

## কিছুমান উদাহৰণ ঃ

### মানুহ আৰু তেওঁলোকৰ বাস্তৱ অভিজ্ঞতা ভিত্তিক পাঠ ঃ

চতুৰ্থ শ্ৰেণী - পাঠ নং 5 — অনিতাআৰু মৌ-মাখি

পাঠ নং 26 — প্ৰতিৰক্ষা বিষয়া-ৰাহিদা

পঞ্চম শ্ৰেণী - পাঠ নং 9 — ওপৰলৈ যোৱা

চতুৰ্থ শ্ৰেণী - পাঠ নং 11 — মহাকাশত সুনিতা

পাঠ নং 20 — হাবিবোৰ কাৰ?

ছাত্ৰ-ছাত্ৰীৰ সপোন কি? তেওঁলোকে কি হ'ব বিচাৰে- এই উদাহৰণবোৰ আলোচনা কৰিলে এই কথা ওলাই পৰিব আৰু নিৰ্দিষ্ট বয়সত নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিব।

### বাস্তৱ ঘটনা আৰু বাস্তৱ গল্প ভিত্তিক পাঠ ঃ

কিছুমান পাঠ এনেকুৱা আছে য'ত সাধাৰণ মানুহৰ সাক্ষাৎকাৰ আৰু কথোপকথনৰ জৰিয়তে তেওঁলোকে আহৰণ কৰা কিছু কথা জানিব পাৰি—

চতুৰ্থ শ্ৰেণী — পাঠ নং 10 - হু, টু, টু, হু, টু, টু

(তিনি ভনীৰ এটা গল্প)

পঞ্চম শ্ৰেণী — পাঠ নং 17

ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ শুনি অভিৰুচিত হ'ব যে এই কাহিনীবোৰ বাতৰি কাকতৰ পৰা সংগ্ৰহ কৰা হৈছে আৰু পাঠ্যপুথিৰ লেখকে এই কাহিনীৰ লগত জড়িত প্ৰকৃত মানুহবোৰক সোধাপোছা কৰি সম্পূৰ্ণ কাহিনী পাঠ্যপুথিত উপস্থাপন কৰিছে।



টোকা



চতুৰ্থ শ্ৰেণী - পাঠ নং 1 — বিদ্যালয়লৈ যাও

চতুৰ্থ শ্ৰেণী - পাঠ নং 6 — ওমানাৰ ভ্ৰমণ

চতুৰ্থ শ্ৰেণী - পাঠ নং 11 — ফুলৰ উপত্যকা

চতুৰ্থ শ্ৰেণী - পাঠ নং 23 — পঞ্চম পল্লী

পঞ্চম শ্ৰেণী - পাঠ নং 10 —

পঞ্চম শ্ৰেণী - পাঠ নং 13 — অতি উচ্চ বাসগৃহ

**পঢ়ক আৰু শুদ্ধ উত্তৰ দিয়ক ঃ**

পৰিৱেশ অধ্যয়নৰ ওপৰত উল্লেখ কৰা পাঠসমূহৰ ভিতৰত কেনে ধৰণৰ পাঠে তলত উল্লেখ কৰা ধৰণে সুবিধাবোৰ দিব পাৰে।

- ⇨ স্বাভাৱিক আৰু প্ৰত্যাহ্বানৰ মুখামুখি হৈ আহৰণ কৰা কৰ্ম বা বৃত্তিৰ বাবে মানুহক অভিৰুচিত হ'বলৈ সুবিধা কৰি দিয়ে।
- ⇨ বুৰঞ্জী আৰু ভূগোল সম্পৰ্কীয় অৱধাৰণা জনাবলৈ পাঠবোৰত সুবিধা আছে। ইয়াৰ জৰিয়তে পৰিৱেশ অধ্যয়নৰ ধাৰণা স্পষ্ট হয় আৰু বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ সমন্বয়ৰ মাধ্যমত ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব জগতখনক জানি লোৱাৰ সুবিধা পায়।
- ⇨ এই পাঠবোৰে আমাৰ জ্যেষ্ঠজনৰ পৰা, ওচৰ চুবুৰীয়াৰ পৰা আৰু অন্য লোকৰ পৰা কথোপকথনৰ জৰিয়তে বিভিন্ন কথা যে আবিষ্কাৰ কৰিব পাৰো আৰু শিকিব পাৰো এই সুবিধা প্ৰদান কৰে। অকল পাঠ্যপুথিখনকেই ভিত্তি নকৰি এনেদৰে আৰ্জিত জ্ঞানসমূহকো আমি মূল্যবান সমল হিচাবে ল'ব পাৰো।
- ⇨ এই পাঠবোৰ ছাত্ৰ-ছাত্ৰীৰ দৃশ্য-শ্ৰব্য সঁজুলিৰ ব্যৱহাৰ, মানচিত্ৰৰ ব্যৱহাৰ কৰাৰ সুবিধা দিয়াৰ উপৰি কৌতুহলী হোৱা আৰু কিবা এটা আৱিষ্কাৰ কৰাৰ প্ৰৱণতা বৃদ্ধি কৰে। পাঠত থকা অনুশীলনীবোৰে আন্তঃশৃংখলাবদ্ধতাৰ লগতে গণিত, বুৰঞ্জী আৰু ভাষাৰ ব্যৱহাৰৰো সুবিধা প্ৰদান কৰে।

## 4.4.5 শিক্ষণ-শিকন কাৰ্যৰ বিভিন্নতা ঃ

কাৰ্য বা ক্ৰিয়াকলাপৰ জৰিয়তে শিকাটো হ'ল অভিজ্ঞতামূলক শিকনৰ মূল কথা। এই প্ৰক্ৰিয়াত আনন্দদায়ক পৰিৱেশত শিক্ষকে শিকাব পাৰে আৰু ছাত্ৰ-ছাত্ৰীয়ে শিকিব পাৰে। এই উদ্দেশ্য আগত ৰাখিয়েই পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথিত শিক্ষকে বিভিন্ন শিক্ষণ পদ্ধতি অৱলম্বন কৰাৰ সুবিধা দিয়া হৈছে যাতে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পৰিৱেশৰ লগত তুলনা কৰি পাঠত থকা অৰ্হতাবোৰ আয়ত্ত কৰিব পাৰে।



টোকা

পাঠ্যপুথিত থকা কাৰ্যবোৰ পাঠৰ অৰ্হতাভিত্তিক আৰু এনেকৈ সজোৱা হৈছে যাতে ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব পৰিৱেশত বা নিজা অভিজ্ঞতাৰ লগত ৰিজাই পাঠটো হৃদয়ংগম কৰিব পাৰে। পাঠ্যপুথিত থকা কাৰ্যবোৰে ছাত্ৰ-ছাত্ৰীক বিভিন্ন কৌশল যেনে - পৰ্যবেক্ষণ তথ্য সংগ্ৰহ, লিখন, ভাব প্ৰকাশ, শ্ৰেণীবিভাজন, মনোপেশী, সৃজনীমুখী, নান্দনিক আদি আয়ত্ত কৰাত সহায় কৰে।

এই কাৰ্যবোৰৰ উদ্দেশ্য মাত্ৰ ছাত্ৰ-ছাত্ৰীৰ মূল্যাংয়ন কৰাটোৰেই নহয় তেওঁলোকৰ প্ৰতিভা বিকাশ কৰাটোও এই কাৰ্যবোৰৰ উদ্দেশ্য। সেইবাবে ছাত্ৰ-ছাত্ৰীক পাঠভিত্তিক কাৰ্যবোৰ কৰাৰ বাবে যথেষ্ট সময় দিব লাগে।

কাৰ্যবোৰ মাত্ৰ শিকন সঁজুলি হিচাবেই যে ব্যৱহাৰ হয় এনে নহয় ইয়াক ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন আহিলা হিচাপেও ব্যৱহাৰ কৰিব পাৰি। এই কাৰ্যবোৰে ছাত্ৰ-ছাত্ৰীক সামাজিক আৰু সাংস্কৃতিক বৈসাদৃশ্য আৰু সাদৃশ্য পৰিৱেশৰ প্ৰতি সচেতনতা বৃদ্ধি কৰে আৰু শিকন ত্বৰান্বিত কৰে।

## শ্ৰেণীকোঠাত

পাঠত থকা অৰ্হতাসমূহ আয়ত্ব কৰাবলৈ আপুনি বিভিন্ন ধৰণৰ অৰ্হতাভিত্তিক শিক্ষণ-শিকন সামগ্ৰী, কাৰ্য, অনুশীলনী আদি আগতীয়াকৈ প্ৰস্তুতি কৰিব লাগে আৰু ছাত্ৰ-ছাত্ৰীকো পাঠৰ প্ৰয়োজনীয়তা সাপেক্ষে শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰিবলৈ উৎসাহিত কৰিব লাগে।

**পাঠভিত্তিক বিভিন্ন কাৰ্যৰ নমুনা ঃ**

(ক) পাজল - তৃতীয় শ্ৰেণী - পৃষ্ঠা 54 — চৰাই আৰু সৰু মিলোৱা
চতুৰ্থ শ্ৰেণী - পৃষ্ঠা 19 — ৰং কৰা আৰু চিনাক্ত কৰা

(খ) খেল - তৃতীয় শ্ৰেণী - পৃষ্ঠা 43 —
তৃতীয় শ্ৰেণী - পৃষ্ঠা 156-157 — জীৱনৰ...

(গ) সংগ্ৰহ - তৃতীয় শ্ৰেণী - পৃষ্ঠা 112 — ষ্টাম্প সংগ্ৰহ

(ঘ) ক্ৰাফট - তৃতীয় শ্ৰেণী - পৃষ্ঠা 56-75 — অৰিগেমি, পুতলা তেল গাড়ী

(ঙ) কলা - তৃতীয় শ্ৰেণী - পৃষ্ঠা 60-61 — ছবি আৰু ৰেখা অংকন

(চ) ৰন্ধা - তৃতীয় শ্ৰেণী - পৃষ্ঠা 65 — প্ৰস্তুত কৰা আৰু খোৱা

(ছ) মানচিত্ৰ অধ্যয়ন - তৃতীয় শ্ৰেণী - পৃষ্ঠা 152 — চিহ্ন
পঞ্চম শ্ৰেণী - পৃষ্ঠা 91 — গোলকোন্দা দুৰ্গ

(জ) পৰীক্ষা-নিৰীক্ষা - পঞ্চম শ্ৰেণী - পৃষ্ঠা 64 — দ্ৰৱীভূত দ্ৰব্য



টোকা

**কি শিকিলো পৰীক্ষা কৰি চাওঁ আহক ঃ - 2**

(ক) ওপৰত উল্লেখ কৰা কেনে ধৰণৰ কাৰ্যই তলত দিয়া দিশবোৰ আয়ত্ব কৰাত সহায় কৰে?

I. কাৰ্যবোৰে শিশুসকলক অভিজ্ঞতামূলক শিকনৰ বাবে উদগণি যোগায়।

II. দলগত আৰু যুৰীয়া শিকনৰ বাবে উৎসাহিত কৰে।

III. সহযোগিতা, অংশীদাৰ, পাৰস্পৰিক বুজাবুজি আৰু সাংগঠনিক দিশত জীৱন কৌশল আয়ত্ব কৰাত সহায় কৰে।

## 4.4.6 কাৰ্যবোৰে বিভিন্ন শিকন প্ৰক্ৰিয়াত সহায় কৰে ঃ

বিভিন্ন কাৰ্য আৰু অনুশীলনীবোৰে ছাত্ৰ-ছাত্ৰীক বহুমুখী প্ৰতিভা বিকাশ কৰাত সহায় কৰে। তেওঁলোকৰ কৌশল আৰু দক্ষতাৰ বিকাশ কৰাৰ লগতে আত্মবিশ্বাসো বৃদ্ধি কৰে।

কিছুমান কাৰ্য আৰু অনুশীলনীয়ে ছাত্ৰ-ছাত্ৰীৰ কল্পনা শক্তি আৰু সৃজনী শক্তিৰ বিকাশ ঘটায়। এই বিকাশ মাত্ৰ লিখন আৰু মৌখিক ক্ষেত্ৰতে আবদ্ধ নাথাকি, নাটৰ শ্ৰেণীত অংকন আৰু পৰিৱেশনৰ জৰিয়তেও এই বিকাশ পৰিস্ফুট হয়।

শিক্ষক হিচাবে আপুনি পাঠ্যপুথিত থকা সুবিধাবোৰ ল'ব লাগিব যাতে প্ৰতিজন শিশুৱে পৰম্পৰাগত শিক্ষণ-শিকন প্ৰক্ৰিয়াত জড়িত নহৈ নিজস্ব স্বাভাৱিক প্ৰতিভা বিকাশ কৰাত সুযোগ পায়।

**কিছুমান উদাহৰণ ঃ**

তৃতীয় শ্ৰেণী — অংকন কৰা আৰু প্ৰকাশ কৰা (পৃষ্ঠা নং 46-47)

চতুৰ্থ শ্ৰেণী — কল্পনা কৰা আৰু অভিনয় কৰা (পৃষ্ঠা নং 9)

চতুৰ্থ শ্ৰেণী — কল্পনা কৰা আৰু অংকন কৰা (পৃষ্ঠা নং 136)

পঞ্চম শ্ৰেণী — কল্পনা কৰা আৰু আৰ্হি প্ৰস্তুত কৰা (পৃষ্ঠা নং 85, 86)

- আপুনি ভাবেনে কলা আৰু হস্তশিল্প সম্পৰ্কীয় কাৰ্যবোৰ পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ বাবে প্ৰযোজ্য হয়নে?
- কলা, হস্তশিল্প আৰু পৰিৱেশৰ মাজৰ সম্পৰ্ক কি?

## 4.4.7 সামাজিক দিশ সম্পৰ্কত ঃ

পৰিৱেশৰ ওপৰত শিক্ষা আহৰণ কৰাটো এটা বহল বিষয়। পৰিৱেশ অধ্যয়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বাস্তৱ পৃথিৱীখনক জানিব পাৰে, প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশ য'ত আমি বাস কৰো সেই সম্পৰ্কে জানিব পাৰে, তথ্য বিশ্লেষণ আৰু মূল্যায়ন


টোকা

কৰি সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে আৰু ব্যক্তিগত আৰু সামগ্ৰিকভাৱে পৰিৱেশৰ ওপৰত ইতিবাচক কৰ্মসূচী গ্ৰহণ কৰিব পাৰে।

পাঠত থকা বিষয় প্ৰসংগসমূহত বিভিন্ন সামাজিক আৰু সাংস্কৃতিক দিশসমূহ অন্তৰ্ভুক্ত হৈ থাকে। কিছুমান ছাত্ৰ-ছাত্ৰীৰ বাবে এই দিশবোৰ দৈনন্দিন জীৱন প্ৰণালীৰ অংশ হ'ব পাৰে (খাদ্য, পানী, পৰিয়াল) আন কাৰোবাৰ বাবে নহ'বও পাৰে।

## কিছুমান উদাহৰণ ঃ

তৃতীয় শ্ৰেণী - পৃষ্ঠা নং 6 — আমি খোৱা খাদ্য।

তৃতীয় শ্ৰেণী - পৃষ্ঠা নং 21 — পৰিয়াল বিভিন্ন হ'ব পাৰে।

চতুৰ্থ শ্ৰেণী - পৃষ্ঠা নং 22 — মোৰ হাতত পৃথিৱীখন।

পঞ্চম শ্ৰেণী - পৃষ্ঠা নং 16 — এই কাম কোনে কৰিব?

পঞ্চম শ্ৰেণী - পৃষ্ঠা নং 18 — আমাৰ বাবে কতো ঠাই নাই।

এই পাঠবোৰে ছাত্ৰ-ছাত্ৰীক বিভিন্ন দিশত চিন্তা কৰিবলৈ বাধ্য কৰায়। ফলত হয় ছাত্ৰ-ছাত্ৰীয়ে কোনো কথা বেছিকৈ চিন্তা কৰিব লগা হয় নহয় একেবাৰে চিন্তা কৰা বাদ দিব লগীয়া হয়। উদাহৰণস্বৰূপে কোনে কাৰ সৈতে খায় (পঞ্চম শ্ৰেণী পৃষ্ঠা 167), কোনে পানী /খাদ্য কাৰ সৈতে ভাগবতৰা কৰে (পঞ্চম শ্ৰেণী- পৃষ্ঠা 182), কোনে বিদ্যালয়/ঘৰ পৰিষ্কাৰ কৰে (পঞ্চম শ্ৰেণী- পৃষ্ঠা 153)

এনেকুৱা পাঠবোৰ আদান প্ৰদান কৰাটো এটা প্ৰত্যাহ্বান স্বৰূপ। ছাত্ৰ-ছাত্ৰীয়ে অভিজ্ঞতাৰে পুষ্ট হোৱা কিছুমান সামাজিক/সাংস্কৃতিক দিশ পাঠৰ লগত ৰিজাব নোৱাৰিবও পাৰে। প্ৰতিটো শ্ৰেণীতে একপক্ষীয় ধাৰ্মিক, সামাজিক, লিংগ সম্পৰ্কীয় আনকি ব্যক্তিগত মতামত পাৰ্থক্যৰ দ্বাৰাও ছাত্ৰ-ছাত্ৰীৰ ক্ষতিসাধন হ'ব পাৰে। শিক্ষক হিচাবে এনেকুৱা দিশবোৰ পাঠত বা পাঠ্যক্ৰমত অন্তৰ্ভুক্ত নহ'লেও শ্ৰেণীকোঠাত এৰাই চলিব নোৱাৰে বৰঞ্চ এই দিশবোৰ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ অভিজ্ঞতাকে সমল কৰি লৈ ইতিবাচক কথা আৰু উদাহৰণেৰে বুজাই দিব পৰাটোহে প্ৰয়োজনীয় কথা।

- আপুনি শিক্ষক হিচাবে এনেকুৱা দিশবোৰ ছাত্ৰ-ছাত্ৰীৰ লগত কেতিয়াবা আলোচনা কৰিছেনে?
  - ➪ সামাজিক বা অৰ্থনৈতিক ভিত্তিত ছাত্ৰ-ছাত্ৰীৰ বিভাজিত কৰা হয়নে?
  - ➪ আপোনাৰ শ্ৰেণীত এনে ভিত্তি থকা ছাত্ৰ-ছাত্ৰী আছেনে?
  - ➪ আপোনাৰ শ্ৰেণীত এনে দিশৰ ওপৰত ভিত্তি কৰি পাঠদান কৰিছেনে?

পাঠদান কৰোতে শিক্ষকে এনে দিশবোৰ সকলো ঠাইতে থাকে বুলি কৈ ছাত্ৰ-ছাত্ৰীৰ আবেগৰ শিথিলতা আনিব লাগে মুক্তভাৱে সোহাৰ্দ্যপূৰ্ণ পৰিৱেশত এনেবোৰ দিশ



টোকা



ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰি সিদ্ধান্তত উপনীত হ'ব লাগে।

## 4.5 পাঠদান প্ৰক্ৰিয়া শ্ৰেণীকোঠা আৰু পাঠ্যপুথিৰ মাজত আবদ্ধ থাকিব নালাগে ঃ

ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ 2005ত উল্লেখ আছে যে বিদ্যালয়মুখী শিশুৰ জীৱন প্ৰক্ৰিয়া বাহ্যিক জগতৰ লগত সংলগ্ন হ'ব লাগে। পৰিৱেশৰ লগত হোৱা আন্তঃসম্পৰ্ক আৰু ঘাত-প্ৰতিঘাতৰ জৰিয়তে শিশুৱে শিকে। এই ক্ষেত্ৰত শিশুৰ কৰ্ম আৰু প্ৰকাশভংগী উল্লেখযোগ্য। শাৰীৰিক কাৰ্য, নিজৰ ইচ্ছা অনুসৰি কৰা কৰ্ম, আনৰ লগত হোৱা কথাবাৰ্তা বা কৰ্ম, পঢ়িবলৈ, জানিবলৈ, সুধিবলৈ ভাষাৰ ব্যৱহাৰ আদিয়ে হ'ল শিকাৰ আহিলা। (এন চি এফ 2005 পৃষ্ঠা 18)

এন চি এফ 2005 এ আৰু কৈছে যে পাঠ্যক্ৰম এনেকুৱা হ'ব লাগে যাতে শিশুৱে মুক্তভাৱে মতামত প্ৰকাশ কৰিব পাৰে, কৌতুহলৰ সমাধান কৰিব পাৰে, প্ৰশ্ন সুধিব আৰু অনুসন্ধান কৰিব পাৰে, পাঠ্যপুথিত থকা জ্ঞানতকৈ অভিজ্ঞতাৰ জৰিয়তে আহৰণ কৰা জ্ঞান অৰ্জন কৰি ইয়াক আনলৈ বিলাব পাৰে। (এন চি এফ 2005 পৃষ্ঠা 13)

এন চি ই আৰ টিএ প্ৰস্তুত কৰা পাঠ্যপুথিত কৰ্ম আৰু অনুশীলনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথি আৰু শ্ৰেণীকোঠাৰ বাহিৰৰ জ্ঞানো আহৰণ কৰিব পৰা ব্যৱস্থা আছে।

পৰিয়াল আৰু সমাজৰ অন্য মানুহৰ লগত কথাবতৰা হোৱা আৰু পাঠ আৰু জীৱনৰ লগত জড়িত তথ্য সংগ্ৰহ কৰা কাৰ্য পৰিৱেশ অধ্যয়ন পাঠ্যপুথিৰ অন্যতম বৈশিষ্ট্য। প্ৰতিটো পাঠতে এনে সুবিধাবোৰ আছে।

কিছুমান উদাহৰণ ঃ

**শিশুৰ নিজস্ব জীৱনৰ লগত পাঠৰ বৈশিষ্ট্যৰ সংযোগ ঃ**

তৃতীয় শ্ৰেণী - পাঠ নং 6 চটুৰ ঘৰ

➪ চটুৱে নলীডাল বিভিন্ন অংশত ভাগ কৰিলে। তোমাৰ ঘৰৰ বিভিন্ন অংশৰ নাম লিখা।

চতুৰ্থ শ্ৰেণী - পাঠ নং 22 মোৰ ঘৰতে পৃথিৱীখন?

➪ অক্ষয়ৰ আইতাকৰ দৰে চিন্তা কৰিব পৰা কোনোবাক তুমি জানানে?

**শিশুৰ ব্যক্তিগত অভিজ্ঞতা উপস্থাপনৰ বাবে শিশুক উৎসাহিত কৰা ঃ**

তৃতীয় শ্ৰেণী- পাঠ নং - 14 খাদ্যৰ সাধু

➪ ঘৰত কোনে কি কাম কৰে তালিকা প্ৰস্তুত কৰা।

চতুৰ্থ শ্ৰেণী- পাঠ নং - 1 বিদ্যালয়লৈ যোৱা

➪ তুমি চাইকেল চলাব জানানে? যদি জনা তেন্তে তোমাক চাইকেল চলাবলৈ



টোকা

কোনে শিকাইছিল?

- ➯ তুমি কেতিয়াবা ঘন হাবিত আছানে? যদি আছা, তেন্তে হাবিত থকা অনুভৱ সম্পৰ্কে লিখা

পঞ্চম শ্ৰেণী- পাঠ নং - 21 বাপেক চাই জীয়েক

- ➯ তোমাৰ চুলি আৰু চাল তোমাৰ পৰিয়ালৰ সদস্যৰ লগত মিল আছেনে? যদি মিল আছে তেন্তে সদস্যজনৰ নাম লিখা।

**তথ্য বিচৰা আৰু সংগ্ৰহ কৰাৰ বাবে পিতৃ-মাতৃৰ লগত, জ্যেষ্ঠজনৰ লগত, সামাজিক ব্যক্তিৰ লগত আলোচনা কৰাৰ বাবে শিশুক উৎসাহিত কৰা ঃ**

তৃতীয় শ্ৰেণী- পাঠ নং - 16 আমি খেলা খেলবোৰ।

- ➯ জ্যেষ্ঠজনৰ পৰা জানি লোৱা যে তেওঁলোকে শিশু হৈ থাকোতে কি কি খেল খেলিছিল?

চতুৰ্থ শ্ৰেণী- পাঠ নং - 12 পৰিবৰ্তনশীল সময়

- ➯ ককা-আইতাক সোধা যে তেওঁলোকৰ ৮/৯ বছৰ হওঁতে ক'ত বাস কৰিছিল? তেতিয়া তেওঁলোকৰ ঘৰত পায়খানা আছিলনে?

পঞ্চম শ্ৰেণী- পাঠ নং - 12

- ➯ জ্যেষ্ঠজনক সোধা, যেতিয়া তেওঁলোক ডেকা আছিল ঘৰত কি কি ৰান্ধিছিল?

**ওচৰ চুবুৰীয়াৰ বিভিন্ন ঠাইলৈ গৈ পৰ্যবেক্ষণ, সাক্ষাৎকাৰ, অনুসন্ধান আৰু তথ্য সংগ্ৰহ কৰিবলৈ শিশুক উৎসাহিত কৰা ঃ**

তৃতীয় শ্ৰেণী- পাঠ নং - 8 ওপৰলৈ যোৱা

- ➯ চৰাই পৰ্যবেক্ষণ কৰা আৰু ৰেকৰ্ড কৰা।

চতুৰ্থ শ্ৰেণী- পাঠ নং - 12 পৰিবৰ্তনশীল সময়

- ➯ নিৰ্মাণ কাৰ্য চলি থকা ঠাইলৈ যোৱা আৰু কৰ্মচাৰীসকলৰ সাক্ষাৎকাৰ লোৱা আৰু এটা লিখিত প্ৰতিবেদন প্ৰস্তুত কৰা।

পঞ্চম শ্ৰেণী- পাঠ নং - 8 মহৰ প্ৰতি ব্যৱহাৰ?

- ➯ বিদ্যালয় চৌহদ- চোৱা আৰু অনুসন্ধান কৰা।
- ➯ এখন ফাৰ্মলৈ যোৱা আৰু ইয়াৰ পৰিৱেশৰ ওপৰত এটা টোকা লিখা।

- আপুনি ভাবেনে এনেকুৱাপাঠ আৰু কাৰ্য বা অনুশীলনী সমূহে যথেষ্ট সময় খৰচ কৰিব?
- এনে পাঠবোৰ উপকাৰী হ'বলৈ তিনিটা উপায় কি কি? এনে কৰিলে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ গুণগত মান উন্নত হ'বনে?



টোকা

**শ্ৰেণীকোঠাত ঃ**

পাঠৰ লগত সম্পৰ্ক থকা ছাত্ৰ-ছাত্ৰীৰ নিজস্ব অভিজ্ঞতা আনৰ লগত ক'বলৈ যথেষ্ট সময় আৰু পৰিৱেশ দিয়াটো অতি প্ৰয়োজন। এনে কৰিলে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ লগত পাঠত বিষয়বস্তুৰ তুলনা কৰি প্ৰকৃত শিকন আহৰণ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীক আৰু শিক্ষক উভয়ে প্ৰশ্ন সোধা আৰু ছাত্ৰ-ছাত্ৰীক নিজৰ ভাষাত প্ৰশ্নৰ উত্তৰ নিজস্ব অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি ক'বলৈ দিয়া অভ্যাসে ছাত্ৰ-ছাত্ৰীৰ বোধশক্তি ত্বৰান্বিত কৰিব।

পৰিৱেশত বিভিন্ন উৎসত বিভিন্ন জ্ঞানৰ ভাণ্ডাৰ আছে। ইয়াক জনা আৰু বুজা উচিত। পৰিৱেশৰ বিভিন্ন জ্ঞানৰ উৎসৰ জৰিয়তে পিতৃ-মাতৃ আৰু সমাজেও শিশুক শিকন প্ৰক্ৰিয়াৰ উত্তৰণ ঘটাব পাৰে।

আটাইতকৈ প্ৰয়োজনীয় কথা এইটোৱে যে শিক্ষক হিচাবে আপুনি পাঠভিত্তিক প্ৰাসংগিক কথা (ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব অভিজ্ঞতাৰ জৰিয়তে জনা) পাঠদান প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰিলে আপুনি ছাত্ৰ-ছাত্ৰীৰ পৰা সুবিধা লাভ কৰি তেওঁলোকৰ শিকন সমস্যাবোৰ সমাধা কৰিব পাৰিব। এই ব্যৱস্থাত আপুনি অৰ্হতাভিত্তিক পাঠ্যপুথিৰ বাহিৰৰ কথাও পাঠদান প্ৰক্ৰিয়াত সংযোগ ঘটাবলৈ সুবিধা পাব, বিভিন্ন ব্যাখ্যা উদাহৰণৰ সৈতে দি শ্ৰেণীকোঠাত বন্ধুসুলভ পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হ'ব আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ গুণগত মান উন্নত কৰিব পাৰিব।

## 4.6 পৰিৱেশ অধ্যয়ন পাঠদানৰ সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বান

আপুনি এতিয়ালৈ যিমানবোৰ অধ্যয়ন কৰিলে, শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ অভিজ্ঞতা আহৰণ কৰিলে তাৰ পৰা ক'ব পাৰিব যে পৰিৱেশ অধ্যয়ন বিষয়টোত কিছুমান ইতিবাচক দিশ আছে—

- বিষয় প্ৰসংগ অনুযায়ী পৰিৱেশ অধ্যয়নৰ পাঠসমূহ সজোৱা হৈছে।
- শিশুৰ নিজস্ব পৰিৱেশৰ পৰা পৰিৱেশ অধ্যয়নৰ বিষয়বস্তু আহৰণ কৰা হৈছে।
- শিশুৱে পৰিৱেশৰ লগত হোৱা অভিজ্ঞতাৰ জৰিয়তে আহৰণ কৰা তথ্যৰ পৰ্যবেক্ষণ, বিশ্লেষণ কৰি জ্ঞান গঠন আৰু ইয়াৰ উত্তৰণ কৰাটো পৰিৱেশ অধ্যয়নৰ এক বিশেষ বৈশিষ্ট্য।
- শিশুৱে কি ইতিমধ্যে জানে, কি শিকিবলগীয়া আছে- স্থানীয়ৰ পৰা বিশ্ব ব্ৰহ্মাণ্ডলৈ বা স্থানীয় পৰিৱেশৰ পৰা সামাজিক তথা অন্য পৰিৱেশলৈ- এই সকলো দিশৰ বিকাশ ঘটাবলৈ পৰিৱেশ অধ্যয়নত শিকন আঁচনি প্ৰস্তুত কৰা হয়।

টোকা

- প্ৰতিটো অধ্যায়ত শিশুক কিছুমান প্ৰশ্ন সুধি আৰম্ভ কৰা হয় য'ত শিশুৱে চিন্তা কৰাৰ সুযোগ পায় আৰু জ্ঞান গঠন কৰিবলৈ সক্ষম হয়।
- শিশুৰ মৌখিক আৰু লিখিত প্ৰকাশ তথা সৃজনীমূলক প্ৰতিভাৰ বিকাশ ঘটোৱাৰ বাবে সুবিধা দিয়া হয়।

যদিও উক্ত ইতিবাচক দিশবোৰ পৰিৱেশ অধ্যয়ন বিষয়টোৰ লগত জড়িত কিন্তু ইয়াৰ আকাংক্ষিত ফলাফল লাভ কৰিবলৈ শ্ৰেণী শিক্ষকৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰিব লগা হয়। আপুনি জানে যে শিক্ষকসকলে বিভিন্ন দিশত শ্ৰেণীকোঠাত বিভিন্ন প্ৰত্যাহ্বানৰ মুখামুখি হ'ব লগা হয় যেনে - পাঠ্যক্ৰমৰ প্ৰতিফলন, পাঠদান প্ৰক্ৰিয়া, সময় আৰু সম্পদৰ ব্যৱস্থাপনা, প্ৰতিজন শিশুৰ সমস্যা আদি। ইয়াৰ উপৰি পৰিৱেশ অধ্যয়নৰ ক্ষেত্ৰত অন্য কিছুমান অতিৰিক্ত প্ৰত্যাহ্বানৰো মুখামুখি হ'বলগীয়া হয়।

আগৰ অধ্যায়ত আপুনি ইতিমধ্যে জানিছে যে পৰিৱেশ অধ্যয়ন বিষয়টো শিক্ষককেন্দ্ৰিক শিক্ষাৰ সলনি শিশুকেন্দ্ৰিক শিক্ষাৰ জৰিয়তহে হৃদয়ংগম কৰা উচিত য'ত শিক্ষকৰ সলনি শিশুয়েহে পাঠদান প্ৰক্ৰিয়াৰ কেন্দ্ৰবিন্দু হয়। প্ৰত্যেক শিশুৱে সদায় নিজস্ব পৰিৱেশৰ মুখামুখি হৈ বিদ্যালয়লৈ আহে আৰু নিজস্ব পৰিৱেশক তেওঁলোকে ভালদৰে বুজি পায়। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ এই সুবিধাটো ল'ব লাগে আৰু পাঠৰ অৰ্হতাভিত্তিক শিকন ছাত্ৰ-ছাত্ৰীৰ অভিজ্ঞতাৰ লগত ৰিজাই তেওঁলোকৰ শিকন ব্যৱস্থা ত্বৰান্বিত কৰিব লাগে। ছাত্ৰ-ছাত্ৰীয়ে যিমানেই নিজস্ব অভিজ্ঞতা পাঠৰ বিষয়বস্তুৰ লগত তুলনা কৰিব সিমানেই পৰিৱেশ অধ্যয়ন বিষয়টো শিকিব।

এই গোটেই প্ৰক্ৰিয়াটোৱেই শিশুৰ বাবে প্ৰাসংগিক শিকন। ইয়াত পাঠ্যপুথিৰ লগত শিশুৱে নিজস্ব পৰিৱেশৰ (প্ৰাকৃতিক পৰিৱেশ, ঘৰ, পৰিয়াল, সমাজ) পৰ্যবেক্ষণ আৰু অভিজ্ঞতাৰ জৰিয়তে সম্পৰ্ক স্থাপন কৰি জ্ঞান গঠন কৰাৰ সুবিধা পায়। সেইবাবে এন চি এফ 2005-ত উল্লেখ কৰিছে যে শিশুৱে জ্ঞান গ্ৰহণ কৰাতকৈ জ্ঞান গঠন কৰিলেহে প্ৰকৃত শিক্ষা লাভ কৰে।

সেইবাবে এন চি এফ - 2005ৰ পৰামৰ্শ অনুযায়ী পৰিৱেশ অধ্যয়ন পাঠ্যপুথিখন সজোৱা হৈছে য'ত শিশুৱে নিজৰ পৰিৱেশৰ মাধ্যমত শিকন অভিজ্ঞতাৰে জ্ঞান গঠন কৰাৰ সুবিধা পায়। শিশুৰ পূৰ্বজ্ঞানেও এই ক্ষেত্ৰত যথেষ্ট সহায় কৰে। শিক্ষকৰ দায়িত্ব এই ক্ষেত্ৰত যথেষ্ট বেছি। শিক্ষকে শিশুক পাঠ্যপুথিৰ শিকনীয় দিশবোৰ নিজৰ পৰিৱেশৰ সহায়ত বুজাব লাগে যাতে শিশুৱে পাঠ্যপুথি কেন্দ্ৰিক নহৈ পৰ্যবেক্ষণ আৰু অভিজ্ঞতাৰ জৰিয়তে শিকিব পাৰে।

শিক্ষা মনোবিজ্ঞানীসকলে কৈছে যে যেতিয়া শিশুৱে নতুন তথ্য বা নতুন কথা নিজস্ব অনুভৱ আৰু অভিজ্ঞতাৰ জৰিয়তে আহৰণ কৰে তেতিয়া বেছিকৈ শিকে আৰু



টোকা

ব্যক্তিগতভাৱে শিকাতকৈ দলগতভাৱে কাম কৰিলে শিশুৱে খুউব ভালকৈ শিকে।

ওপৰত উল্লেখ কৰা শিক্ষণ পদ্ধতিটো শিক্ষাৰ তত্ব-গঠনাত্মক শিক্ষাৰ ওপৰত ভিত্তি কৰি আগবঢ়োৱা হৈছে। অৰ্থাৎ এই পদ্ধতিত শিশুৰ জ্ঞান গঠন কৰিবলৈ শিক্ষকে শিশুৰ শিকন অভিজ্ঞতাৰ বাবে আগতীয়া পৰিকল্পনা কৰিব লাগিব। এই শিকন অভিজ্ঞতা সামাজিক, সাংস্কৃতিক, ভৌতিক, জৈৱিক আদি পৰিৱেশৰ জৰিয়তে হ'ব পাৰে। শিকন অভিজ্ঞতাৰ জৰিয়তহে শিকন উদ্দেশ্য আহৰণ কৰিব পাৰি। এই ক্ষেত্ৰত শিক্ষকে পৰম্পৰাগতভাৱে শিকাই অহা শিক্ষণ পদ্ধতি পৰিহাৰ কৰি শিক্ষণক শিকনলৈ ৰূপান্তৰ কৰাৰ প্ৰচেষ্টা কৰা উচিত।

যিহেতু পৰিৱেশ অধ্যয়ন এক সমন্বিত পাঠ্যপুথি সেয়ে শিক্ষকে পাঠদান কৰোতে বিভিন্ন বিষয়ৰ আৰু বিভিন্ন পৰিৱেশৰ প্ৰাসংগিক কথা অন্তৰ্ভুক্ত কৰিব লাগে বাবে পৰিৱেশ বিষয়ৰ ওপৰত দখল থকা দৰকাৰ। এই ক্ষেত্ৰত শিক্ষক শ্ৰেণীকোঠাত বহু শিথিলতা অবলম্বন কৰা দৰকাৰ কিয়নো শ্ৰেণীকোঠাৰ পৰিৱেশ অনুযায়ীহে শিক্ষক আৰু শিশুৰ মাজত যোগাযোগ বা বিনিময় হ'ব লাগিব আৰু তেতিয়াহে শিশুৱে পাঠৰ সাৰমৰ্ম বুজি পাব। আমি দেখিছো যে পৰিৱেশ অধ্যয়নৰ শিকন অভিক্ষতাৰ জৰিয়তে শিশুৱে যথেষ্ট বোধ আৰু কৌশল আয়ত্ব কৰিব পাৰে আৰু পৰিৱেশৰ বিভিন্ন জ্ঞান গঠন কৰিব পাৰে। পৰিৱেশ অধ্যয়নত শিশুৰ শিকনত যথেষ্ট গতিশীলতা থাকে বাবে কেতিয়াবা প্ৰশ্নৰ উদয় হয় যে একে সময়তে বা একে আহিলাৰ জৰিয়তে সকলো শিশুৰ মূল্যাংকন কৰা উচিতনে?

শিকনৰ গতিশীলতাৰ প্ৰতি লক্ষ্য ৰাখি এন চি এফ - 2005 এ শিশুৰ মূল্যাংকনো গতিশীল কৰিবলৈ পৰামৰ্শ দিছে। শিশুৰ গতিশীল মূল্যাংকন কৰা শিক্ষকৰ বাবে এক প্ৰত্যাহ্বান। এই ক্ষেত্ৰত শিক্ষকে শিশুৱে কেনেকৈ চিন্তা কৰে, কেনেকৈ বুজে আৰু শিকে, কেনেদৰে শিকন অভিজ্ঞতাৰে জ্ঞান গঠন হয়, পাঠ্যপুথিৰ বিভিন্ন কৰ্ম (গৃহকৰ্ম, প্ৰকল্প আদি) কৰোতে শিশুৱে কি কি সমস্যাৰ সন্মুখীন হয় আদি বিভিন্ন কথা ভালকৈ জানিব লাগিব।

**আপোনাৰ শিকনৰ অগ্ৰগতি জানো আহক- 3**

(ক) পৰিৱেশ অধ্যয়ন বিষয়টোৰ পাঠদান কৰোতে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ তালিকা প্ৰস্তুত কৰক।

(খ) শিশুকেন্দ্ৰিক শিক্ষাৰ বৈশিষ্ট্যসমূহ কি কি?

(গ) পৰিৱেশ অধ্যয়নক প্ৰাসংগিকীকৰণ কৰা মানে হ'ল — (টিক চিহ্ন দিয়া)

i সৰলৰ পৰা জটিললৈ পৰিৱেশ অধ্যয়নৰ পাঠ প্ৰদান কৰিব লাগে।



টোকা

ii জনাৰ পৰা নজনালৈ পৰিৱেশ অধ্যয়নৰ পাঠ প্ৰদান কৰিব লাগে।

iii উদাহৰণ দি পৰিৱেশ অধ্যয়নৰ পাঠ প্ৰদান কৰিব লাগে।

iv শিশুৰ চাৰিওফালৰ পৰিৱেশক আলম কৰি লৈ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ জৰিয়তে পৰিৱেশ অধ্যয়ন বিষয়টো শিকাব লাগে।

## 4.7 সাৰাংশ ঃ

আপুনি দেখিছে যে কেনেদৰে পৰিৱেশ অধ্যয়নৰ পাঠ্যসূচীয়ে এন চি এফ - 2005 ৰ পৰামৰ্শ অনুসৰণ কৰিছে। আপুনি এইটোও জানিছে যে এন চি এফ - 2005ৰ পৰামৰ্শৰ আধাৰত পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথি প্ৰস্তুত কৰা হৈছে। এই ইউনিটটোত পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথিৰ বৈশিষ্ট্য আৰু প্ৰাথমিক পৰ্যায়ত ইয়াক কিদৰে বাস্তৱত ফলপ্ৰসু কৰিব পাৰি তাৰ এটা আভাস দিয়া হৈছে।

মূলতঃ পৰিৱেশ অধ্যয়ন পাঠ্যপুথিয়ে তলত দিয়া ধৰণে ছাত্ৰ-ছাত্ৰীক সহায় কৰে।

- শিকন সমল হিচাপে চাৰিওফালৰ পৰিৱেশক ব্যৱহাৰ কৰা।
- দৈনন্দিন জীৱনত সংঘটিত অভিজ্ঞতা আৰু ইতিমধ্যে থকা জ্ঞানৰ জৰিয়তে নতুন শিকন অৰ্জন কৰা।
- চাৰিওফালে থকা পৃথিৱীখনৰ প্ৰকৃত অৰ্থ আহৰণ কৰা।
- পাঠ্যপুথিৰ জ্ঞানৰ লগত নিজৰ অভিজ্ঞতাৰ সম্পৰ্ক স্থাপন কৰা।
- পৰ্যবেক্ষণ, সন্ধান, তথ্য আহৰণ আৰু প্ৰতিবেদন প্ৰস্তুত সম্পৰ্কত দক্ষতা অৰ্জন কৰা।
- জীৱন কৌশল যেনে - দলগত কাম, যোগাযোগ, পাৰস্পৰিক বুজাবুজি, সিদ্ধান্ত গ্ৰহণ, যুক্তিপূৰ্ণ প্ৰতিফলন, সমস্যা সমাধান আদিৰ বিকাশ হোৱা।
- বিভিন্ন অঞ্চল, সংস্কৃতি, আৰ্থ-সামাজিক পৰিৱেশ আদিৰ পাৰ্থক্য আৰু বিভিন্নতাৰ প্ৰতি উৎসাহিত হোৱা।
- শিকন প্ৰক্ৰিয়াত নিজকে নিষ্ক্ৰিয় হৈ থকাৰ সলনি সক্ৰিয় অংশগ্ৰহণৰে শিকা কাৰ্যত আত্মনিয়োগ কৰা।

এই ক্ষেত্ৰত পাঠ্যপুথি আৰু শিক্ষক উভয়ে ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সহায়ক হিচাপে থাকিব যাতে ছাত্ৰ-ছাত্ৰীয়ে তথ্য বা বিষয়বস্তুৰ প্ৰতিফলন, বিশ্লেষণ বা প্ৰকৃত অৰ্থৰ জৰিয়তে নিজস্ব জ্ঞান গঠন কৰিব পাৰে।

এই প্ৰক্ৰিয়াত শিক্ষক হিচাবে আপুনি পথ প্ৰদৰ্শক হিচাবে কৰ্ম কৰিব লাগিব যাতে আপোনাৰ সহায়ত ছাত্ৰ-ছাত্ৰীয়ে বিষয়বস্তু বুজিব বা আৱিষ্কাৰ কৰিব পাৰে। এই ক্ষেত্ৰত



টোকা

শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ নিজস্ব পৰিৱেশ, তেওঁলোকৰ ৰুচি আৰু বুদ্ধিমত্তাৰ স্তৰ জনাটো অৱশ্যে দৰকাৰ। প্ৰতিজন শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা সম্পৰ্কে জানিব লাগিব। গতিকে শিক্ষক হিচাবে পাঠ্যপুথি আৰু শিশুৰ অভিজ্ঞতাৰ সহায়ত কেনেদৰে তেওঁলোকক শিকাব পাৰে সেই কথা সম্পূৰ্ণ আপোনাৰ ওপৰত নিৰ্ভৰ কৰিব। যিমানেই পাঠ্যপুথি আৰু শিশুৰ চাৰিওফালৰ পৰিৱেশক ব্যৱহাৰ কৰিব সিমানেই শিশুসকলে শিকিব।

## 4.8 অগ্ৰগতিৰ খতিয়ান ঃ

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান-** 1

(ক) i. সম্পৰ্ক।

ii.কৌতুহল, সৃজনীমূলক প্ৰতিভা

iii. সজাগতা

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান-** 2

(খ) আপোনাৰ অভিজ্ঞতা আগবঢ়াওক।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান-** 3

(গ) iv. শিশুৰ চাৰিওফালৰ পৰিৱেশক আলম কৰি লৈ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ জৰিয়তে পৰিৱেশ অধ্যয়ন বিষয়টো শিকাব লাগে।

## 4.9. উপদেশমূলক আৰু আনুসাংগিক পুথি ঃ


- NCERT (2005) National Curriculum Framework 2005, New Delhi
- NCERT (2007), Environmental Studies – Looking around, Textbook for class IV,New Delhi.
- NCERT (1991): Elementary Teacher Education Curriculum, Guidelines and Syllabi, New Delhi.
- Syllabus for classes at the Elementary Level, NCERT, New Delhi.


**Notes**

***Diploma in Elementary Education (D.El.Ed)***


- www.eelink.net (A directory of internet resources on environment education)
- www.envis.nic.in (Listing of various ENVIS nodes and their activities)

- http://www.esdtoolkit.org
- http://www.greenteacher.org
- www.kidsgreen.org

## 4.10 গোটৰ অনুশীলনী

i. ‘শিশুৰ ক্ৰিয়াকলাপ প্ৰক্ৰিয়াত শিক্ষকে সহঃ শিকাৰু হিচাবে সহায়কৰ দায়িত্ব পালন কৰিব লাগে য'ত শিক্ষকে ছাত্ৰ-ছাত্ৰীক জ্ঞান দিয়াৰ সলনি জ্ঞান গঠন কৰা প্ৰক্ৰিয়া ত্বৰান্বিত কৰিব পাৰে।’ (এন চি এফ- 2005)

পৰিৱেশ অধ্যয়ন পাঠ্যপুথি প্ৰস্তুত কৰাৰ পৰিপ্ৰেক্ষিতত উক্ত কথাষাৰৰ যুক্তিযুক্ততা বৰ্ণনা কৰা।

******



টোকা